*Total number of printed pages–3*

**14 (ASM–3) 3086**

**2023**

**ASSAMESE**

Paper : ASM–3086

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

*৮নং প্ৰশ্ন আৰু যিকোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখিবা।*

১। *ভাৰতীয় সাহিত্য* বুলিলে কি বুজা? "বিভিন্ন ভাষাত ৰচিত হ'লেও ভাৰতীয় সাহিত্য মূলতঃ এক; কিয়নো, ইয়াৰ মাজত মহান ভাৰতীয় ঐতিহ্য সযতনে সংৰক্ষিত হৈ আছে।" এই উক্তিৰ আধাৰত ভাৰতীয় সাহিত্য সম্পৰ্কে বিশ্লেষণ কৰাঁ। ১২

২। জাতীয়তাবাদ (Nationalism) বুলিলে কি বুজা? ভাৰতীয় জাতীয়তাবাদী চিন্তাৰ বিকাশত সমসাময়িক সংবাদপত্ৰ-আলোচনীৰ ভূমিকা কেনেধৰণৰ? অসমীয়া আৰু বাংলা কবিতাত প্ৰকাশিত জাতীয়তাবাদী ভাৱধাৰাৰ প্ৰসঙ্গত আলোচনা কৰাঁ।

১২

*Contd.*

৩। স্বাধীনতাৰ পৰৱৰ্তীকালৰ অসমীয়া আৰু বাংলা গল্পসাহিত্যৰ ধাৰা সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা। ১২

৪। 'মাটিৰ মানুহ' উপন্যাসৰ কাহিনীৰ আধাৰত শ্যাম প্ৰধান আৰু বৰজু প্ৰধানৰ চৰিত্ৰ *দুটি* বিশ্লেষণ কৰা। ১২

৫। প্ৰেমচন্দৰ উপন্যাসত সমসাময়িক ভাৰতীয় জাতীয় জীৱনৰ কোনবোৰ সমস্যাই প্ৰাধান্য লাভ কৰিছে, 'গোদান' উপন্যাসৰ কাহিনীৰ আধাৰত বিচাৰ কৰা। ১২

৬। 'ছায়াবাদ' বুলিলে কি বুজা? মহাদেৱী বাৰ্মাৰ কাব্যপ্ৰতিভাৰ চমু পৰিচয় দাঙি ধৰি *মই পলকতে পান কৰিছোঁ* কবিতাটি বিশ্লেষণ কৰা। ১২

৭। ৰবীন্দ্ৰনাথ ঠাকুৰৰ কাব্যপ্ৰতিভাৰ চমু পৰিচয় দি *এ কথা জানিতে তুমি* কবিতাটো বিশ্লেষণ কৰা। ১২

৮। চমু উত্তৰ লিখা : *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) কাবুলিৱালা গল্পৰ ৰহমত চৰিত্ৰ

(খ) অজ্ঞেয়ৰ গল্পপ্ৰতিভা

(গ) জীৱনভিত্তিক অসমীয়া উপন্যাসৰ ক্ৰমবিকাশ

(ঘ) 'অৰণ্যেৰ অধিকাৰ' উপন্যাসৰ পটভূমি

(ঙ) বাংলা ৰাজনৈতিক উপন্যাসৰ ধাৰা

(চ) লোকসংস্কৃতিৰ পটভূমিত ৰচিত অসমীয়া চুটিগল্পৰ ধাৰা

(ছ) প্ৰতীকবাদী অসমীয়া কবিতাৰ ধাৰা